# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-07-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
-------------------

ৰাজ্যত শীঘ্ৰেই প্ৰায় ৮ হাজাৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকক নিযুক্তি দিয়া হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ডিব্ৰুগড় জিলাৰ মৰাণৰ খোৱাং মহাবিদ্যালয়ৰ ৪৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশ লৈ দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবেও প্ৰায় ৫ হাজাৰ ৫০০ শিক্ষকৰ নথি পত্ৰ পৰীক্ষাৰ কাম চলি আছে। এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছতেই শিক্ষকসকলক নিযুক্তি দিয়া হ'ব বুলি ডাঃ পেগুৱে প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে ১৯৮২ চনৰ পৰাই খোৱাং অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰলৈ অৰিহনা আগবঢ়াই অহা মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিমূলক আৰু শৈক্ষিক পৰিস্থিতিৰ বুজ লোৱাৰ উপৰি শিক্ষাৰ্থীসকলৰ সৈতেও মত বিনিময় কৰে।

ooooo

গোলাঘাট জিলাৰ সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত বসবাস কৰা অবৈধ দখলকাৰীক উচ্ছেদ কৰা হ'ব বুলি  মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ পাছতেই সৰুপথাৰ সমজিলা প্ৰশাসন আৰু বন বিভাগ তৎপৰ হৈ পৰিছে। ইতিমধ্যে ড্ৰোণৰ সহায়ত সীমান্ত এলেকাত স্থানীয় প্ৰশাসন, চি আৰ পি এফ আৰু বন বিভাগৰ এটা দলে জৰীপ আৰম্ভ কৰিছে। উল্লেখযোগ্য যে উৰিয়ামঘাটৰ প্ৰায় ৩ হাজাৰৰো অধিক বনাঞ্চলৰ ভূমি দখলকাৰীৰ কবলত থকাৰ তথ্য পোৱা গৈছে। অসম-নাগালেণ্ড সীমান্তৰ সোণাৰী বিল, পিঠাঘাট, খেৰবাৰী, দয়ালপুৰ, বিদ্যাপুৰ আদি অঞ্চল অনুপ্ৰবেশকাৰীৰ দখলত আছে। যিকোনো মুহূৰ্ততে সীমান্ত এলেকাত উচ্ছেদ অভিযান চলিব পাৰে বুলি বিভাগীয় সূত্ৰত প্ৰকাশ পাইছে।

ooooo

২০২৪-২৫ বৰ্ষৰ স্বচ্ছতা জৰীপ অনুসৰি এটা নিৰ্দিষ্ট ক্ষেত্ৰত গুৱাহাটী উত্তৰ-পূব ভাৰতৰ আটাইতকৈ পৰিষ্কাৰ ৰাজধানী চহৰ হিচাপে পৰিগণিত হৈছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ **প্ৰতিশ্ৰুতিসম্পন্ন স্বচ্ছ চহৰ** হিচাপে গুৱাহাটী মহানগৰী এই বঁটাৰ বাবে নিৰ্বাচিত হৈছে। ৩ লাখৰ পৰা ১০ লাখ জনসংখ্যাৰ চহৰলৈ আগবঢ়োৱা এই সন্মানৰ তালিকাত গুৱাহাটী চহৰে ৪৪ সংখ্যক স্থান লাভ কৰিছে। অনাময় ব্যৱস্থা আৰু আৱৰ্জনামুক্ত চহৰৰ ক্ষেত্ৰত গুৱাহাটীয়ে প্ৰমাণপত্ৰ লাভ কৰে। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত স্বচ্ছ সৰ্বেক্ষণ ২০২৪-২৫ বঁটা প্ৰদান অনুষ্ঠানত অংশ লৈ এই বঁটাসমূহ গ্ৰহণ কৰে। গুৱাহাটীবাসী সুসংগঠিত পৰিশ্ৰম, প্ৰতিশ্ৰুতি আৰু সচেতনতাৰ এয়া প্ৰতিফলন বুলি শ্ৰীশৰণীয়াই মন্তব্য কৰে। এই বঁটাই ভৱিষ্যতে এখন স্বচ্ছ, সেউজ গুৱাহাটী চহৰ গঢ়ি তোলাৰ অনুপ্ৰেৰণা যোগাই তুলিব তেওঁ আশা প্ৰকাশ কৰে। বঁটাসমূহ গ্ৰহণ কৰাৰ অন্তত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়লৈ ধন্যবাদ জ্ঞাপন কৰে। গুৱাহাটীক স্বচ্ছ আৰু পৰিষ্কাৰ চহৰ হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ এয়া স্বীকৃতি বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত উল্লেখ কৰে। গুৱাহাটীকে ধৰি অসমৰ প্ৰতিটো অঞ্চলতে এনে যাত্ৰাত সামৰি লোৱা হ'ব বুলি তেওঁ কয়।

ooooo

মৰিগাঁও জিলা পৰিষদৰ উদ্যোগত আৰু জাগীৰোড গাঁও পঞ্চায়তৰ সহযোগত জাগীৰোডৰ সৌন্দৰ্য বৰ্দ্ধনৰ বাবে আজি ১০০ জোপা গছপুলি ৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মন্ত্ৰী পীযুষ হাজৰিকাই বকুল আৰু কৃষ্ণচূড়াৰ পুলি ৰোপণ কৰি এই কাৰ্যসূচীৰ উদ্বোধন কৰে। তেওঁ লগতে পৰিৱেশ স্বচ্ছ কৰি ৰখাৰ বাবে আৱৰ্জনা পেলাবলৈ তিনিখন বাহন মুকলি কৰে।

জাগীৰোড পঞ্চায়তৰ উপৰি দেওশাল আৰু পালিগুৰি গাঁও পঞ্চায়তলৈ এই বাহনসমূহ প্ৰেৰণ কৰা হয়। অনুষ্ঠানত তেওঁ জনসাধাৰণক জাগীৰোড নগৰখনক পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখি সৰ্বাংগসুন্দৰ কৰি তুলিবলৈ আহ্বান জনায়।

ooooo

মিছিং জনগোষ্ঠীৰ অন্যতম সংগঠন মিছিং বানে কেবাঙৰ ১০১ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি ধেমাজিৰ চিলাপথাৰত কেন্দ্ৰীয়ভাৱে উদযাপন কৰা হয়। স্বচ্ছতা অভিযান, গছপুলি ৰোপণৰ লগতে ১০১ খন পতাকা উত্তোলনেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ  কৰা হয়। বিধায়ক ভূবন পেগু, মিছিং স্বায়ত্তশাসিত পৰিষদৰ বিষয়ববীয়া আৰু দল-সংগঠনৰ কেইবাগৰাকীও প্ৰতিনিধিয়ে এই অনুষ্ঠানত অংশ লয়। উল্লেখযোগ্য যে মিছিং জনগোষ্ঠীৰ সভ্যতা, সংস্কৃতি, ভাষা সাহিত্য, আৰ্থসামাজিক সমস্যা সমাধান তথা সংৰক্ষণ আৰু উত্তৰণৰ বাবে ১৯২৪ চনত মিছিং বানে কেবাঙৰ গঠন হৈছিল।

ooooo

কৃষিমন্ত্ৰী অতুল বৰাই ধেমাজিত আজি দলীয় কৰ্মকৰ্তা সকলৰ সৈতে এখন সাংগঠনিক সভাত অংশ লয়। তেওঁ তৃণমূল কৰ্মীসকলক দলটোৰ প্ৰধান চালিকা শক্তি বুলি অভিহিত কৰে। তৃণমূলৰ কৰ্মকৰ্তা সকলৰ সক্ৰিয় ভূমিকা আৰু উৎসৰ্গিত মনোভাৱে সকলোকে সবলভাৱে কাম কৰি যাবলৈ প্ৰেৰণা যোগাই আহিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সমাগত বিভিন্ন পৰিষদীয় নিৰ্বাচন আৰু ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে কৰ্মকৰ্তা সকলক অধিক সক্ৰিয় হ'বলৈ তেওঁ আহ্বান জনায়। লগতে তেওঁ দলটোক শক্তিশালী কৰাৰ স্বাৰ্থত সভাত কৰ্মকৰ্তা সকলক দিহা-পৰামৰ্শ আগবঢ়ায়।

ooooo

তেজপুৰৰ উদীয়মান যুৱ সমাজৰ উদ্যোগত আৰু বৃহত্তৰ তেজপুৰ ৰাইজৰ সহযোগত অহা ৩ৰ পৰা ৯ আগষ্টলৈ তেজপুৰ ভাওনা সমাৰোহৰ আয়োজন কৰা হৈছে। বৰালীমাৰা সত্ৰৰ ডেকা সত্ৰাধিকাৰ শুভন মহন্তই ভাওনা সমাৰোহৰ আজি লাইখুঁটা স্থাপন কৰে। মাজগাঁৱৰ জাতীয় শ্বহীদ বাকৰিত হ'বলগীয়া এই সমাৰোহত ছখনতকৈও অধিক ভাওনা মঞ্চস্থ কৰাৰ উপৰি সদৌ অসম ভিত্তিত দিহা নাম, সত্ৰীয়া নৃত্য আৰু বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ooooo

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু পশ্চিম কাৰ্বি আংলং জিলা ক্ৰিকেট সন্থাৰ সহযোগত বৈঠালাংছ'ত কালিৰে পৰা ১০-দিনীয়াকৈ ক্ৰিকেট প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। প্ৰাক্তন ৰঞ্জী খেলুৱৈ মাৰ্ক ইংতি আৰু মুম্বাইৰ পৰা অহা প্ৰশিক্ষক মিষ্টাৰ ববে এই শিবিৰত প্ৰশিক্ষণ প্ৰদান কৰিব বুলি জিলা ক্ৰীড়া সন্থাৰ সচিব সঞ্জীৱ ক্ৰ'ৱে জনাইছে। ১৬ আৰু ১৯ বছৰ অনুৰ্দ্ধৰ যুৱক আৰু সকলো বয়সৰ মহিলাই এই শিবিৰত প্ৰশিক্ষণ ল'ব পাৰিব বুলি আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতাই জনাইছে।

ooooo

সমাপ্ত